আপুনি এই বিষয়ে কি কয়, যদি মই ফৰজ ছালাত আদায় কৰোঁ, ৰমজান মাহৰ চওম পালন কৰোঁ, হালালক হালাল বুলি আৰু হাৰামক হাৰাম বুলি গণ্য কৰোঁ,

আবূ আব্দিল্লাহ জাবিৰ ইবনে আব্দিল্লাহ আল-আনচাৰী (ৰাদ্বিয়াল্লাহু ‘আনহুমা)ৰ পৰা বৰ্ণিত, "এজন ব্যক্তিয়ে ৰাছুলুল্লাহ (চাল্লাল্লাহু ‘আলাইহি অছাল্লাম)ক সুধিলে:
আপুনি এই বিষয়ে কি কয়, যদি মই ফৰজ ছালাত আদায় কৰোঁ, ৰমজান মাহৰ চওম পালন কৰোঁ,
হালালক হালাল বুলি আৰু হাৰামক হাৰাম বুলি গণ্য কৰোঁ, আৰু ইয়াতকৈ বেছি একো নকৰোঁ, তেনেহ’লে মই জান্নাতত প্ৰৱেশ কৰিব পাৰিমনে? তেখেতে ক’লে: হয়।" [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা স্পষ্ট কৰিছে যে, যিয়ে পাঁচ ওৱাক্ত চালাত নিয়মিতভাৱে আদায় কৰিব, আৰু ইয়াৰ অতিৰিক্ত কোনো নফল আদায় নকৰিব, এইদৰে ৰমাজানৰ ৰোজা পালন কৰিব আৰু কোনো নফল ৰোজা নকৰিব, লগতে হালালক হালাল হিচাপে বিশ্বাস কৰি পালন কৰিব আৰু হাৰামক হাৰাম হিচাপে বিশ্বাস কৰি আঁতৰি থাকিব, সেই ব্যক্তিয়ে জান্নাতত প্ৰৱেশ কৰিব।

http://www.sunnah.global/hadeeth/as/show/66525